45**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date :02-08-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

অহা ৮ ছেপ্তেম্বৰত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও ভাষাত লিখি উলিওৱা ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থ উন্মোচন কৰিব। ড° ভূপেন হাজৰিকাৰ বছৰযোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত আনুষ্ঠানিকভাৱে এটা পোৰ্টেল মুকলিৰ পূৰ্বে এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত এহেজাৰ শিল্পীয়ে ২৩ মিনিট জুৰি ড° ভূপেন হাজৰিকাৰ কেইবাটাও গীতৰ এটাকৈ অন্তৰা অসমীয়া, বঙালী আৰু হিন্দী ভাষাত পৰিৱেশন কৰিব। ইয়াৰ বাবে প্ৰতিখন মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলক আমন্ত্ৰণ জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণতে দৰং জিলাত তিনিটা প্ৰকল্প মুকলি কৰাৰ লগতে গুৱাহাটীৰ ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। এই সংবাদমেলতে ড০ শৰ্মাই ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে অসম ভ্ৰমণ কৰি নতুন ৰাজভৱন মুকলি কৰিব বুলি প্ৰকাশ কৰে। একেখন সংবাদমেলতে অৰুণোদয় আঁচনি সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে অহা ১৭ ছেপ্তেম্বৰত অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণ মুকলি কৰা হ'ব আৰু ৰাজ্যৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৪০ লাখ পৰিয়ালক এই আঁচনি সামৰি লোৱা হ'ব।

ooooo

গুৱাহাটী পৌৰ নিগমে মহানগৰখনৰ সৌন্দৰ্য বৰ্ধনৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এনে পদক্ষেপৰ অংশ হিচাপে পৌৰনিগমে আজি পুৱতি নিশা জয়ানগৰ আৰু বেলতলাৰ বিভিন্ন অঞ্চলত উচ্ছেদ অভিযান চলাই আৰু একাংশ বাণিজ্যিক প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰে। আসন্ন স্বাধীনতা দিৱসৰ পূৰ্বে মহানগৰখনক সংগঠিত আৰু পৰিস্কাৰ কৰি তোলাৰ বাবে এই অভিযান অব্যাহত থাকিব বুলি গুৱাহাটী পৌৰনিগমে স্পষ্ট কৰি দিছে। নিগমে লগতে জনসাধাৰণৰ আহ-যাহ সুগম কৰি তোলাৰ বাবে ৰাজহুৱা স্থান, পথ আৰু বজাৰ অঞ্চলসমূহ দখলমুক্ত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি প্ৰকাশ কৰে।

oooo

মৰিগাওঁ জিলাৰ পবিতৰা অভয়াৰণ্যৰ সমীপত মায়ং চক্ৰৰ ২৯ গৰাকী খেতিয়কক বন্যপ্ৰাণীৰ বিচৰণৰ ফলত নষ্ট হোৱা শস্যৰ বাবদ ২ লাখ ১৭ হাজাৰ ৫০০ টকাৰ অনুদান আগবঢ়োৱা হৈছে। এই খেতিয়কসকলে পবিতৰাৰ মাণ্ডলিক বন বিষয়াৰ ওচৰত অনুদানৰ বাবে আবেদন জনাইছিল। বন বিভাগে তেওঁলোকৰ আবেদনৰ ভিত্তিত গড়, মহ, বনৰীয়া গাহৰি আদিৰ বিচৰণৰ ফলত শস্য নষ্ট হোৱা বাবে প্ৰতিগৰাকী খেতিয়কলৈ ৭ হাজাৰ ৫০০ টকাকৈ মোকলাই দিছে।

ooooo

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত প্ৰশাসন আৰু বন বিভাগে আজি পঞ্চমদিনাও উচ্ছেদ অব্যাহত ৰাখিছে। বিদ্যাপুৰ আৰু ২ নম্বৰ মধুপুৰত পুৱা ১০ বজাৰ পৰা অভিযান চলোৱা হৈছে। আমাৰ

গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে বনাঞ্চলৰ ৰজাপুখুৰী, গেলাজান, মধুপুৰ, ৰাণানগৰ, হালদীবাৰী, হাতীডুবি, অঞ্চলত আজি প্ৰশাসনে জৰীপ চলাব।

ooooo

তিনিচুকীয়া জিলাৰ গুইজান চাৰিআলিত আৰক্ষীয়ে অভিযান চলাই যোৱা নিশা বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। মিজোৰামৰ পৰা ২৮ টা চাবোনৰ বাকচত ভৰাই অনা মাদকদ্ৰব্যখিনি তিনিচুকীয়া সৰবৰাহ কৰা হৈছিল। জব্দ কৰা মাদকদ্ৰব্যখিনিৰ বজাৰ মূল্য প্ৰায় ডেৰ কোটি টকা বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে এই সংক্ৰান্তত কাৰ্বি আংলঙৰ দেহমিলন ছিংচং আৰু ছাংমাং ছিংচন নামৰ দুজন লোকক আটক কৰিছে।ooooo

ooooooooooo

অৰুণাচল প্ৰদেশত হৈ থকা প্ৰবল বৰষুণৰ ফলত হ'ব পৰা সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি ধেমাজি জিলা প্ৰশাসনে সতৰ্কতামূলক জাননী জাৰি কৰিছে। বিগত কেইবাদিনো ধৰি চুবুৰীয়া ৰাজ্যখনত হৈ থকা বৰষুণৰ ফলত নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই নৈপৰীয়া লোকসকলক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। জিলাখনৰ ব্ৰহ্মপুত্ৰ, সোঁৱণশিৰি, জিয়াধল আৰু গাইনদীৰ জলপৃষ্ঠ নিৰীক্ষণ কৰি থকা হৈছে।

oooo

অসম সাহিত্য সভা আৰু দেউৰী সাহিত্য সভাৰ যৌথ উদ্যোগত লখিমপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়ত কাইলৈ এনাজৰী ঃ **চেঁকুচ্চিতুং** শীৰ্ষক ভাষা, সাহিত্য, সংস্কৃতি বিনিময়ৰ এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত হ'বলগীয়া অনুষ্ঠানত দেউৰী সাহিত্য সভাত সভাপতি ড০ ষড়ানন দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দেউৰী ভাষা-সাহিত্য কৃষ্টি সন্দৰ্ভত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়োৱাৰ লগতে বৰগীত আৰু দেউৰী লোকগীত পৰিৱেশন কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত **দৃষ্টিপাত** অনুষ্ঠানত ৰাজ্যখনৰ ৩ গৰাকী উদীয়মান চলচ্চিত্ৰ পৰিচালকৰ সৈতে এটা অন্তৰংগ আলাপ প্ৰচাৰ কৰিব। স্বাধীনচিতীয়া পৰিচালক হিচাপে পৰিচিত- অমৰদ্বীপ গগৈ, হিমজ্যোতি তালুকদাৰ আৰু ঝুলনকৃষ্ণ মহন্তৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলৰ লগতে বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজ যোগেও পোনপটীয়াকৈ প্ৰচাৰিত হ'ব।

ooooo